(দৈ) দৈনিক অসম, গুৱাহাটী, ২৮ অক্টোবৰ, ২০১০

নৱ-প্ৰজন্মই অপৰিহাৰ্য গণ্য কৰা কিছু অপ্ৰয়োজন

জিতুমণি পাঠক

আজিৰ যুৱ-প্ৰজন্মই বিপথে বাট বুলিছে'— এয়া সততে, সকলোতে শুনিবলৈ পোৱা এষাৰ কথা। প্ৰতিটো প্ৰজন্মতে যুৱ-প্ৰজন্মক উদ্দেশ্যি এইষাৰ উক্তি উচ্চাৰিত হৈছিল। নিজৰ মন-মগজুক একাষৰীয়া কৰি থৈ দুৰন্ত যৌৱনৰ উচটনিত এনে ভুল বাৰে বাৰে কৰি গৈছে প্ৰতিটো প্ৰজন্মৰ যুৱক-যুৱতীয়ে। তেনেকৈ চাবলৈ হ'লে কথাষাৰত নতুনত্ব একো নাই। পূৰ্বতে যি হৈছিল আজিও সেয়াই ঘটিছে। কিন্তু সংখ্যাগত দিশৰ পৰা যদি ইয়াক তুলনা কৰি চোৱা হয়, তেন্তে এয়া পৰিস্ফুট হৈ উঠে যে আজিৰ প্ৰজন্মই সঠিক পথ ত্যাগ কৰি বিপথগামী হোৱাৰ সংখ্যা পূৰ্বৰ তুলনাত বহুত বেছি। এয়া অৱশ্যেই শংকিত হৈ পৰিবলগীয়া কথা। কাৰণ, ইয়াৰ কিছুসংখ্যক যদিও শুদ্ধ পথলৈ ঘূৰি অহাৰ সম্ভাৱনা আছে, কিন্তু অধিক সংখ্যকেই যে ইয়াৰ ক্ষয়ংকৰী প্ৰভাৱৰ পৰা নিজকে মুক্ত কৰিব নোৱাৰিব সেয়া ধ্ৰুৱ।

বিপথগামিতাৰ সংজ্ঞাও যেন পূৰ্বৰ তুলনাত সলনি হৈছে বহুত। ই দিনক দিনে ইমানেই ভয়ংকৰ ৰূপত ধৰা দিছে যে সেয়া পৰিণত হৈছে একো একোখন মৰণফান্দলৈ। সঠিক আৰু শুদ্ধ পথ এটাৰ প্ৰথমছোৱাৰ হয়তো অমসৃণ, সংঘাতেৰে পৰিপূৰ্ণ। কিন্তু সেই পথেৰে আগুৱাই গৈ লক্ষ্যস্থানত উপনীত হ'ব পৰাৰ অভিজ্ঞতা সদায়ে সুখদায়ক। সঠিক লক্ষ্যস্থানলৈ আগুৱাই নিব পৰা এনে কণ্টকময় পথটিৰ কাষেৰেই অনেক বিপথে পৰিচালিত কৰিব পৰা বাটে পোৱালি মেলে। সন্মুখছোৱাৰ মসৃণ যেন লাগিলেও ইয়াৰ অন্ত হয় অন্ধকাৰেৰে নিমজ্জিত কোনোবা অতল গহ্বৰত। কেইটিমান দশকৰ আগলৈকে ব্যক্তি এগৰাকীক পথচ্যুত কৰিব পৰা এই উপাদানবোৰৰ পয়োভৰ সমাজত ইমান বেছি পৰিমাণে নাছিল তথা সেইবোৰৰ ৰূপো নাছিল আজিৰ দৰে ইমান ভয়ংকৰ। জ্ঞান-বিজ্ঞান, তথ্য-প্ৰযুক্তিৰ উন্নতিয়ে আজিৰ যুৱ-প্ৰজন্মৰ সন্মুখত প্ৰতি মুহূৰ্ততে আগুৱাই দিয়ে একোটা লালসাৰ টোপ। জীৱনৰ আটাইতকৈ বেছি কল্পনাপ্ৰৱণ সময়ছোৱাত সেইবোৰক আওকাণ কৰি সঠিক পথটোৰে আগুৱাই যাবলৈ আজি যেন প্ৰতিজন যুৱকৰ শৰীৰতে এক 'মহামানৱ'ৰ শক্তিৰ প্ৰয়োজন হৈছে। নতুন প্ৰজন্মক সততে কটাক্ষ কৰা অগ্ৰজসকলে এই কথা অৱশ্যেই স্বীকাৰ কৰিব লাগিব যে আজিৰ প্ৰজন্মই সঠিক পথটিত থাকিবলৈ পূৰ্বৰ তুলনাত অধিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তেওঁলোকৰ স্খলনৰ কাৰণ হিচাপে কেৱল অস্থিৰ মানসিকতাক দোষাৰোপ কৰাটো শুদ্ধ নহ'ব, বৰং এই অস্থিৰ মানসিকতা সৃষ্টি কৰিব পৰা কাৰকসমূহৰ অত্যধিক পয়োভৰো ইয়াৰ বাবে প্ৰধানকৈ দায়ী।

আজিৰ প্ৰজন্মই অপৰিহাৰ্য বুলি গণ্য কৰিবলৈ লোৱা কিছুমান সামগ্ৰী ভিন্ন দৃষ্টিকোণৰ পৰা অৱশ্যেই অপৰিহাৰ্য হ'ব পাৰে, কিন্তু যুৱক-যুৱতীসকলে যিধৰণে ইয়াক ব্যৱহাৰ কৰিবলৈ লৈছে, তাৰ প্ৰকৃত প্ৰয়োজন কিমান সেয়া এক চিন্তা কৰিবলগীয়া বিষয়। আমাৰ দৃষ্টিভংগীৰে থাউকতে মনলৈ অহা যুৱ-প্ৰজন্মৰ অপৰিহাৰ্য হৈ পৰা তেনে এক অপ্ৰয়োজন হ'ল ম'বাইল ফোন। তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰখনত ম'বাইল ফোনে এক বিপ্লৱৰ সূচনা কৰিছে। প্ৰথমাৱস্থাত বিত্তৱান শ্ৰেণীৰ আভিজাত্যৰ প্ৰতীক হিচাপে ধৰা দিয়া এই ম'বাইল ফোন বৰ্তমানে সাধাৰণ শ্ৰেণীৰ মানুহৰো অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈছে। ইয়াৰ সৰ্বাধিক জনপ্ৰিয়তা পৰিলক্ষিত হৈছে যুৱ চামৰ মাজত। ম'বাইল ফোন নিৰ্মাতা কোম্পানীসমূহেও এই বৃহৎ 'টাৰ্গেট গ্ৰুপ'টোৰ প্ৰতি লক্ষ্য ৰাখি ম'বাইল ফোনক কেৱল দূৰ সংযোগৰ মাধ্যম হিচাপেই নাৰাখি ইয়াত সমাহাৰ ঘটাইছে মনোৰঞ্জনৰ সকলো প্ৰকাৰৰ উপাদানৰ। আৰু ই গ্ৰাস কৰিছে যুৱ-প্ৰজন্মক। ইয়াৰ অবিহনে আজিৰ প্ৰজন্মই যেন পংগুত্বৰ যাতনা অনুভৱ কৰে। কিছুদিন আগলৈকে বন্ধুবৰ্গৰ মাজত ম'বাইল ফোন নথকাজনে হীনমন্যতাত ভুগিছিল। আজি যেন সেই দিন উকলিল। বৈধ-অবৈধ যিকোনো উপায়েৰে হওক, সকলোৰে হাতত আজি ই বিৰাজমান। আজি সেইসকলে নতুনকৈ হীনমন্যতাত ভুগিবলৈ লৈছে, যিসকলৰ হাতত উচ্চ প্ৰযুক্তিসম্পন্ন মনোৰঞ্জনৰ সকলো উপাদানেৰে পৰিপূৰ্ণ ম'বাইল ফোন এটা নাই।

এই মুহূৰ্তত প্ৰাসংগিক প্ৰশ্নটো হৈছে যুৱ-প্ৰজন্মৰ হাতত এনে এক ম'বাইল ফোনৰ প্ৰয়োজন কিমান? সমাজ এখনত যুৱক-যুৱতীসকলক গণ্য কৰা হয় ভৱিষ্যতৰ আটাইতকৈ সম্ভাৱনাপূৰ্ণ বীজ হিচাপে। কিন্তু, এনে অসীম সম্ভাৱনাৰে পৰিপূৰ্ণ আজিৰ প্ৰজন্মৰ আজৰিৰ সময়কণ সৃষ্টিশীল কামত নিয়োজিত নহৈ হাতৰ আঙুলিবোৰ অস্থিৰভাৱে ঘূৰি ফুৰে ম'বাইলৰ 'কী ব'ৰ্ড'ত। মন-মগজুক সৃষ্টিশীল কামত ব্যৱহাৰ নকৰি আনৰ দ্বাৰা সৃষ্ট ম'বাইল গেমছসমূহত ব্যস্ত থাকি স্তব্ধ কৰি পেলায় নিজ ব্যক্তিত্ব বিকাশৰ সম্ভাৱনাক। আজি যেন নিজৰ পকেটত কঢ়িয়াই লৈ ফুৰা এই ক্ষুদ্ৰ যান্ত্ৰিক আহিলাবিধৰ ওপৰতো নিয়ন্ত্ৰণ হেৰুৱাই পেলাইছে যুৱ-প্ৰজন্মই। ওলোটাই এই যন্ত্ৰটিয়েহে নিয়ন্ত্ৰণ কৰিছে তেওঁলোকক। খন্তেক সময় ম'বাইল ফোনটো হাতত নোহোৱাৰ বাবে এচামৰ মুখত যি উদ্বেগৰ চিন পৰিলক্ষিত হয়, সেয়া যেন প্ৰিয়জনৰ বিচ্ছেদৰহে বেদনা। অথচ কাৰ্যক্ষেত্ৰত ইয়াৰ ব্যৱহাৰ হয় কিদৰে? প্ৰেয়সীৰ সৈতে কটোৱা নিবিড় মুহূৰ্তৰ ছবিও নিৰ্লিপ্ততাৰে এম এম এছ কৰি পঠিয়ায় ভিন্নজনলৈ। দিল্লীত ঘটা তেনে ঘটনা বৰ্তমানে আমাৰ দৰে ৰাজ্যতো সুলভ। শ্ৰেণীকোঠাত এটা পাঠদানৰ পৰা আন এটা পাঠদানৰ মাজৰ যি অকণ বিৰতিৰ সময় সেইকণো কোলাহলপূৰ্ণ হৈ উঠে বিভিন্নজনৰ ম'বাইল ফোনৰ পৰা ভাঁহি অহা সংগীতৰ দৌৰাত্ম্যত। এয়া আজিকালি প্ৰায়বোৰ শিক্ষানুষ্ঠানৰে এক পৰিচিত দৃশ্য। যিজনৰ ম'বাইল ফোনত পৰ্ণ ছবিৰ আটাইতকৈ বেছি ভিডিঅ' ক্লিপিংছ থাকে, সেইজনেই হৈ পৰে বন্ধুবৰ্গৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। ম'বাইলৰ এই ব্যাপক হাৰত হোৱা অপব্যৱহাৰৰ বাবে নতুন প্ৰজন্মক অৱশ্যেই দোষাৰোপ কৰিব পাৰি। একে সময়তে দোষাৰোপ কৰিব লাগিব সেই সকলোবোৰ অভিভাৱকক, যিয়ে ইয়াৰ নেতিবাচক দিশটোৰ কথা সামান্যও বিবেচনা নকৰি তেওঁলোকৰ হাতত তুলি দিছে এনে দামী দামী 'ম'বাইল হেণ্ডছেট'।

নৱ-প্ৰজন্মৰ হাতত বিপজ্জনকভাৱে ধৰা দিয়া আন এবিধ সাধন হ'ল— মটৰ বাইকবোৰ। ই আজিৰ যুৱ-প্ৰজন্মৰ মাজত এনেদৰে আসন অধিকাৰ কৰি লৈছে যে ইয়াৰ অবিহনে তেওঁলোকে 'যৌৱন'টোকে অসাৰ বুলি গণ্য কৰিবলৈ লৈছে। সময়ৰ সঠিক ব্যৱহাৰ কৰিবলৈ নিশিকা যুৱ-প্ৰজন্মই সময়ৰ অপচয় ৰুধিবলৈ ইয়াৰ প্ৰয়োজন অনুভৱ কৰাটো কিমান যুক্তিযুক্ত সেয়া চিন্তনীয়। সেয়েহে অপৰিহাৰ্য বুলি গণ্য কৰিব ধৰা এইবিধ প্ৰয়োজনক আমাৰ বোধেৰে অপ্ৰয়োজনৰ শাৰীত ৰখাটোহে অধিক শুদ্ধ হ'ব। বিশেষকৈ ইয়াৰ ব্যৱহাৰ বৃহৎসংখ্যক যুৱকে যিদৰে কৰে তালৈ চাই তেওঁলোকৰ বাবে ইয়াক একেবাৰে নিষিদ্ধ কৰাটোহে উচিত হ'ব যেন বিবেচনা হয়। প্ৰয়োজনত নহয়, যৌৱনৰ উন্মত্ততা প্ৰকাশ কৰিবলৈহে যেন দৰকাৰ মটৰ বাইকসমূহৰ। তেওঁলোকৰ ভাব-গতিলৈ লক্ষ্য কৰিলে এনে ভাব আহে যেন তেওঁলোকৰ মন-মগজুত এনে ভাবে স্থায়ী হৈ বহি লৈছে যে দুৰন্ত আৰু বিপজ্জনক গতিয়েই হ'ল সফল যৌৱনৰ প্ৰতীক। কিন্তু তেওঁলোকৰ এই দুৰন্ত, বিপজ্জনক গতিয়ে কিমান আপোনজনৰ হৃদয়কম্পনৰ সৃষ্টি কৰি প্ৰতিমুহূৰ্তত শংকিত কৰি যে ৰাখে সেয়া বিবেচনা কৰিবলৈ যৌৱনৰ বলিয়া বাতটুটি-ভাহি ফুৰাবোৰৰ ভাবিবলৈ আহৰি নাই। কিছু দশকৰ আগৰ প্ৰজন্মই যৌৱনৰ গতিৰ সৈতে তাল মিলাবলৈ হয়তো চাইকেল এখনেৰেই সন্তুষ্ট হৈছিল। অৱশ্যে ইয়াৰ বিকল্পও হয়তো তেওঁলোকৰ হাতত নাছিল। সেই সময়ৰ বিজ্ঞান-প্ৰযুক্তিয়ে সুলভ ৰূপত এইদৰে দুৰন্ত গতিৰ বাহক মটৰ বাইকবোৰ সকলোৰে হাতত তুলি দিবলৈ সক্ষম নাছিল। বৰ্তমান সময়ত আঙুলিৰ নিৰ্দেশত জ্ঞানৰ সমস্ত ভাণ্ডাৰ আনি চকুৰ সন্মুখত হাজিৰ কৰাব পৰা ইণ্টাৰনেটো কেৱল অপপ্ৰয়োগৰ বাবেই যুৱ-প্ৰজন্মৰ অপ্ৰয়োজনৰ তালিকাত অন্তৰ্ভুক্ত কৰিব পৰা যায়। গ্ৰন্থ অধ্যয়নৰ সামান্যতমো স্পৃহা নথকা যুৱচামৰ ইণ্টাৰনেট কাফেসমূহত কৰা ভিৰে তেওঁলোকৰ জ্ঞান আহৰণৰ ধাউতিক নুসূচায়। কাফেসমূহত তেওঁলোকৰ এই ব্যস্ততা অৰকুট, ফেচ্‌বুক আদি ছ'চিয়েল ছাইটসমূহক লৈ; য'ত বন্ধুত্বৰ নামত কিছু সুস্থ সম্পৰ্কও লুণ্ঠিত হয়। অপৰাধী মানসিকতাক তৃপ্ত কৰে চাইবাৰ ক্ৰাইমৰ জৰিয়তে। পৰ্ণ' ছাইটবোৰৰ কথা বাৰু নক'লোৱেই। যুৱ মানসিকতাৰ এই বিকৃতিক আৰু অলপ মাত্ৰা দিবলৈ আগুৱাই আহিছে ম'বাইল ফোনৰ সেৱা আগবঢ়োৱা কোম্পানীসমূহ। কম খৰচতে ম'বাইলত ইণ্টাৰনেট ব্ৰাউজিঙৰ সুবিধা আগবঢ়াই তেওঁলোকে যুৱ-প্ৰজন্মৰ এটা বৃহৎ চামক তেওঁলোকৰ হাতোৰাত বন্দী কৰিছে। পুৰণি প্ৰজন্মক এক হিচাপে সৌভাগ্যৱান বুলিয়েই ক'ব লাগিব, কিয়নো বিপথে বাট বুলিবলৈ তেওঁলোকৰ সন্মুখত ইমানবোৰ উপপথ নাছিল। অৱশ্যে এইটোও ঠিক যে সেই সময়তো তেওঁলোকে সময় সাপেক্ষ আন আন কিছুমান প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগাত পৰিছিল। তাৰ পিছতো তেওঁলোক প্ৰোজ্বল হৈ ৰৈছিল নিজৰ দৃঢ় ব্যক্তিত্বৰ বাবে। একেখিনি ক্ষমতাই আহৰণ কৰিব লাগিব আজিৰ প্ৰজন্ময়ো। চাবলৈ গ'লে ওপৰত আলোচনা কৰা কোনো এটা 'অপ্ৰয়োজন'— এই প্ৰকৃতাৰ্থত অপ্ৰয়োজন নহয়। সঠিক ব্যৱহাৰতকৈ অপব্যৱহাৰৰ আধিক্যইহে সেইবোৰক অপ্ৰয়োজনৰ তালিকাত অন্তৰ্ভুক্ত কৰাইছে। নতুন প্ৰজন্মই সুস্থ মনেৰে সেইবোৰৰ সঠিক ব্যৱহাৰ কৰিব শিকিলেই প্ৰতিটো অপ্ৰয়োজনেই হৈ পৰিব তেওঁলোকৰ দ্ৰুত বিকাশৰ সাধন।

লেখকৰ ফোন: ৯৮৫৪০-১৮১১

অন্যতম সাফল্য আৰু এই প্ৰতিষ্ঠাৰ আঁৰত